**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :**10-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকৰ লগতে শীৰ্ষ নেতাসকলে ৰাজ্যখনত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ইয়াৰ লগে লগে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। শাসকীয় বিজেপিৰ হৈ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দলটোৰ সাংসদ, অভিনেতা মনোজ তিৱাৰী আজি পুৱা মোহনবাৰী বিমানবন্দৰত উপস্থিত হয়। প্ৰচাৰকগৰাকীয়ে আজি তিনিচুকীয়া আৰু ডুমডুমাত দুটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। তিনিদিনীয়া নিৰ্বাচনী প্ৰচাৰৰ কাৰ্যসূচীৰে অসমলৈ অহা আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে আজি শোণিতপুৰ সমষ্টিৰ দলৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্দিন্যৰ হৈ প্ৰচাৰ চলায়।

ইফালে, নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে অহা ১৬ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ অহাৰ কথা। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও অহা ১৭ এপ্ৰিলত যোৰহাটৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ চলোৱাৰ কথা। তেওঁ ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতিৰ গগৈৰ হৈও প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে।

আনহাতে, ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টিংখাঙৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে, বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ আজি যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত পাতসাঁকো হাইস্কুল খেলপথাৰত এখন নিৰ্বাচনী সমাৰেশত ভাষণ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সমষ্টিটোৰ টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত কল্যাণী খেল পথাৰত বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে চৰাইদেউত আয়োজিত প্ৰচাৰ কাৰ্যসূচীতো অংশ লয়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ আজি দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই মাজুলীত প্ৰচাৰ চলায়। তেওঁ ৰাজীৱ ভৱনৰ পৰা গড়মূৰৰ সৰুসত্ৰলৈকে নিৰ্বাচনী প্ৰচাৰ চলায়।

অসম গণ পৰিষদ দলে আজি গোলাঘাট জিলাৰ তিনিটা বিধানসভা সমষ্টিত কাজিৰঙা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ সমৰ্থনত প্ৰচাৰ সভা অনুষ্ঠিত কৰে। এই সভাত অসম গণ পৰিষদ দলৰ নেতা তথা কৃষি মন্ত্ৰী অতুল বৰা আৰু ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া বৰপেটা লোকসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীয়ে প্ৰচাৰ অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি জিলাখনৰ সুন্দৰীদিয়াৰ লগতে আন কেইবাটাও স্থানত প্ৰচাৰ চলায়।

০০০০০০০০০

অসমত আসন্ন লোকসভা নিৰ্বাচনত সৰ্বাধিক ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে আজি বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোটৰ ৪০ লাখ মহিলাই শপত গ্ৰহণ কৰে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ সৈতে সহযোগিতামূলক প্ৰচেষ্টা হিচাপে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ইয়াৰ পূৰ্বে আকাশবাণীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি জ্যেষ্ঠ নিৰ্বাচনী বিষয়াসকলে এই সন্দৰ্ভত কয় যে এই পদক্ষেপৰ জৰিয়তে মহিলাসকলে নৈতিক ভোটদানৰ প্ৰসাৰত সহায় কৰাটো নিশ্চিত হ'ব। বিষয়াসকলে লগতে প্ৰকাশ কৰা মতে, অবৈধ সামগ্ৰীৰ সৰবৰাহ ৰোধ কৰাৰ বাবে ৰাজ্যখনত ফ্লায়িং স্কোৱাদ আৰু নিৰীক্ষকৰ দল নিয়োগ কৰা হৈছে। তেওঁলোকে লগতে কয় যে ভোটগ্ৰহণৰ দিনা ভোটদাতাসকলক খোৱাপানীসহ সকলোধৰণৰ বুনিয়াদী সা-সুবিধা প্ৰদান কৰা হ'ব আৰু অকল দিব্যাংগ বিষয়াই একাংশ ভোটগ্ৰহণ কেন্দ্ৰৰ পৰিচালনা কৰিব। উল্লেখযোগ্য যে ৰাজ্যখনত বৰ্তমানলৈকে ১২৭ কোটি টকাৰ সুৰা আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে।

তিনিচুকীয়া জিলাৰ ভিন ভিন স্থানত আজি দিনৰ ১১ বজাৰ পৰা ১২ বজাৰ ভিতৰত এই শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত স্বপ্নীল পাল, জিলা আৰক্ষী অধীক্ষক তথা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ বিভিন্ন দিশ সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্ত নুজহদ নাছৰিনে এইদৰে কয় -

- ভইচ -

০০০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যসূচীত  স্বচ্ছতা আৰু দায়বদ্ধতা বজাই ৰখাৰ বাবে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কীয় হৰ্ডিং, ছপা  সামগ্ৰী আদিৰ মুদ্ৰণ বা প্ৰকাশৰ দায়িত্বত থকাসকলৰ পৰিচয় স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য নিৰ্বাচন আয়ুক্তই ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ তথা ড° সুখবীৰ সিং সান্ধুৱে এই সিদ্ধান্ত গ্ৰহণ কৰে। নিৰ্বাচন আয়োগে বিভিন্ন পৌৰ নিকায়ৰ অধীনৰ হৰ্ডিং স্থানসমূহত মুদ্ৰণ আৰু প্ৰকাশনৰ দায়িত্বত থকা লোকৰ পৰিচয় নিদিয়াকৈ হৰ্ডিং ইত্যাদি সংস্থাপন কৰা সন্দৰ্ভত তথ্য লাভ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৭ (ক) ধাৰা অনুসৰি নিৰ্বাচনী প্ৰচাৰৰ বাবে প্ৰকাশ কৰা পৰিপূৰিকা, পোষ্টাৰ, প্লেকাৰ্ড, বেনাৰ ইত্যাদি প্ৰকাশক বা মুদ্ৰণকাৰীৰ পৰিচিতি অবিহনে প্ৰকাশ কৰিব পৰা নাযায়।

০০০০০০০০০

ঃসমাপ্তঃ